**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। ডিমাহাচাও জিলাৰ উমৰাংছ’ৰ কয়লাখনিত আৱদ্ধ ৯ জন শ্ৰমিকক উদ্ধাৰ অভিযানত সেনা বাহিনী নিয়োজিত।

২। অসমত বিনিয়োগ কৰিবলগীয়া কোম্পানীসমূহক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে ২৫ হাজাৰ কোটি টকাৰ পুঁজিৰ ব্যৱস্থা কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ আজিৰেপৰা দুদিনীয়া অসম ভ্ৰমণ।

৪। অসম আৰক্ষীৰ বিশেষ কৰ্মবাহিনীৰ যোৱা বছৰৰ ১ মাৰ্চৰ পৰা ৩১ ডিচেম্বৰ পৰ্যন্ত ২৫৪ টা সফল অভিযান।

*আৰু*

৫। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি সামৰণি।

০০০০০০

ডিমাহাচাও জিলাৰ উমৰাংছ’ত ৩০০ ফুট দ’ এটা কয়লাখনিত দ্ৰুতগতিত পানী সোমোৱাৰ ফলত আৱদ্ধ হৈ পৰা কমেও ৯ জন শ্ৰমিকক উদ্ধাৰৰ বাবে সেনা বাহিনীয়ে এছ ডি আৰ এফ আৰু এন ডি আৰ এফৰ সহযোগত অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এই ঘটনাৰ বিষয়ে প্ৰকাশ কৰি শ্ৰমিকসকলক উদ্ধাৰৰ বাবে চলি থকা অভিযানত সেনা বাহিনীক সহায়ৰ বাবে আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীয়ে লগতে মন্ত্ৰীসকলক ততালিকে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিৰীক্ষণৰো নিৰ্দেশ দিছিল। জানিব পৰা মতে উমৰাংছ’ৰ ১৯ নম্বৰ কয়লাখনিত কালি পুৱা কয়লা খননৰ বাবে গৈ শ্ৰমিককেইজন আবদ্ধ হৈ পৰে। শ্ৰমিকৰ দলটো খনিটোত প্ৰৱেশ কৰাৰ পাছতে পানী সোমাই যোৱাৰ ফলত আবদ্ধ হৈ পৰা এই লোকসকলৰ উদ্ধাৰৰ বাবে ততালিকে স্থানীয় লোক আৰু আৰক্ষীয়ে চেষ্টা চলাই যদিও সফলতা লাভ কৰিবলৈ সমৰ্থ নহ’ল। সেনা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে মুখ্যমন্ত্ৰীৰ আহ্বানৰ পাছতে অভিযন্তা, ডুবাৰু আৰু অন্য প্ৰশিক্ষিত লোকৰ লগতে প্ৰয়োজনীয় সামগ্ৰীসহ সেনা বাহিনীয়ে অভিযান আৰম্ভ কৰে। এই অবৈধ খনিটো গুৱাহাটীৰ পৰা প্ৰায় ২৫০ কিলোমিটাৰ দূৰত্বৰ মেঘালয় সীমান্তৰ উমৰাংছ’ত আছে। উল্লেখযোগ্য যে ২০১৪ চনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতো কোনো কোনো স্থানত এনেধৰণৰ অবৈধ কয়লা খনন অব্যাহত আছে আৰু কেইবাগৰাকীও লোকে ইয়াৰ পূৰ্বে প্ৰাণ হেৰুৱাইছে।

ডিমা হাচাওৰ এই ঘটনা সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা মনছুন সিং –

-বাইট-

০০০০০০

অসমত বিনিয়োগ কৰিবলগীয়া কোম্পানীসমূহক আৰ্থিক সকাহ দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ২৫ হাজাৰ কোটি টকাৰ এটা উৎপাদন সংযোজিত উদগনিমূলক পুঁজিৰ ব্যৱস্থা কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰৰ অংশ হিচাপে কালি মুম্বাইত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই আহ্বান জনায়। তেওঁ এই অনুষ্ঠানতে উদ্যোগপতিসকলক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ লগতে তেওঁলোকক নিজৰ উদ্যোগত অনুপ্ৰৱেশকাৰীসকলক শ্ৰমিক বা কৰ্মচাৰী হিচাপে নিয়োগ নকৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে ২০১৮ চনত ৰাজ্যৰ প্ৰথমখন বিনিয়োগ সন্মিলনৰ অভূতপূৰ্ব সফলতাৰ পৰিপ্ৰেক্ষিতত অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে।

তিনিদিনীয়া মুম্বাই ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই শীৰ্ষ উদ্যোগপতি আৰু ব্যৱসায়িক নেতাৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয়, যে টাটা গোটকে ধৰি আগশাৰীৰ কেইবাটাও ব্যৱসায়িক গোটৰ সৈতে বিভিন্ন ধৰণৰ আলোচনা কৰা হৈছে। ইতিমধ্যে টাটা গোটে অসমত ৩০ হাজাৰ কোটিৰ ছেমি কণ্ডাক্টৰ উদ্যোগ নিৰ্মাণ কৰিছে। ৰাজ্যখনৰ উন্নয়নৰ বাবে আন্তঃগাঁথনি আৰু সুযোগৰ ওপৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে অসমত ৫টা তেল শোধনাগাৰ আৰু এটা সমৃদ্ধিশালী পৰ্যটন খণ্ড আছে। বৰ্তমান ছেমি কণ্ডাক্টৰ, প্ৰযুক্তি আৰু বৈদ্যুতিক সামগ্ৰীৰ নিৰ্মাণত বিনিয়োগ কৰাত গুৰুত্ব আৰোপ কৰিব লাগে বুলি তেওঁ উল্লেখ কৰে। সমাগত সময়ত অসম বিনিয়োগৰ বাবে সূচল স্থান হিচাপে পৰিগণিত হ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭-৮ বিলিয়ন ডলাৰৰো অধিক হৈছে বুলিও ৰাজ্যৰ প্ৰকাশ কৰে।

০০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডা দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হ'ব। বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতে দলৰ শীৰ্ষ নেতাসকলে তেওঁক আদৰণি জনাব। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীৰ আগমনে বিশেষ তাৎপৰ্য বহন কৰিছে।

০০০০০০

অসম আৰক্ষীৰ বিশেষ কৰ্মবাহিনী, এছ টি এফে যোৱা বছৰৰ ১ মাৰ্চৰ পৰা ৩১ ডিচেম্বৰ পৰ্যন্ত ২৫৪ টা অভিযানত সফলতা লাভ কৰে। আৰক্ষীয়ে বিগত বছৰটোত কূটাঘাটকাৰীৰ বিৰুদ্ধে চলোৱা অভিযানত ২১ জন জেহাদীক আটক কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। গুৱাহাটীৰ উলুবাৰীৰ অসম আৰক্ষী মুখ্য কাৰ্যালয়ত কালি আয়োজিত এখন সংবাদমেলত আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং আৰু গুৱাহাটীৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই এই বিষয়ে প্ৰকাশ কৰে। গ্ৰেপ্তাৰ কৰা লোককেইজনৰ ভিতৰত আই এছ আই এছ ইণ্ডিয়াৰ মুৰব্বীসহ ১৬ জন ইছলামিক উগ্ৰপন্থী, এজন মাওবাদী, এজন আলফা আৰু তিনিজন মণিপুৰৰ উগ্ৰপন্থী সংগঠনৰ সদস্য বুলি শ্ৰী সিঙে জানিবলৈ দিয়ে। তদুপৰি ১৮ জন অনুপ্ৰৱেশকাৰীকো এই সময়ছোৱাত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। বিগত বছৰটোত এছ টি এফৰ থানাত ৪১ টা গোচৰ ৰুজু হোৱাৰ লগতে ৪৮২ জন লোকক গ্ৰেপ্তাৰ কৰা হয়। শ্ৰী সিঙে সংবাদমেলত কয়, যে মুখ্যমন্ত্ৰী ড°

হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে ২০২৩ বৰ্ষত নতুন ৰূপত সাজু কৰি তোলা এছ্ টি এফে জেহাদী, অনুপ্ৰৱেশকাৰী আৰু মাদক দ্ৰব্য সৰবৰাহকাৰীৰ চক্ৰ উৎখাত কৰাৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰিছে। বিগত বছৰটোত আৰক্ষীয়ে চলোৱা অভিযানত ৫৯ কিলোগ্ৰামৰো অধিক হেৰ'ইন আৰু অন্যান্য বৃহৎ পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰা হয়। গুৱাহাটী মহানগৰীত যোৱা বছৰটোত মাদক দ্ৰব্যৰ বিৰুদ্ধে চলোৱা অভিযানত ২৬৪ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰা হয় বুলি শ্ৰী সিঙে সংবাদমেলত প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ সৈতে জড়িত গোচৰসমূহৰ শুনানি আজি পুনৰ গ্ৰহণ কৰিব। এই গোচৰসমূহক লৈ ন্যায়ালয়ত চলি থকা শুনানিৰ অংশ হিচাপে কালি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ বিচাৰপীঠত গোচৰীয়া পক্ষ আৰু চৰকাৰী পক্ষৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই নিজ পক্ষৰ যুক্তি দাঙি ধৰে। শুনানি কালত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত ন্যায়ালয়ে আৰোপ কৰা স্থগিতাদেশ প্ৰত্যাহাৰৰ বাবেও আবেদন জনোৱা হয় যদিও ন্যায়ালয়ে এই ক্ষেত্ৰত চৰকাৰক সেউজ সংকেত প্ৰদান নকৰিলে। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিভিন্ন আসোঁৱাহৰ অভিযোগ তুলি একাংশ লোকে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিত ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল। আজি পুনৰ এই গোচৰসমূহৰ শুনানি লোৱা হ'ব।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি সামৰণি পৰিব। ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়াকৈ অনুষ্ঠিত গ্ৰন্থমেলাৰ বাকৰিত কালিও গ্ৰন্থপ্ৰেমীৰ ভীৰ পৰিলক্ষিত হয়। আজি অন্তিম দিনা বিয়লি অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই সভাপতিৰূপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ সচিব তথা শৈক্ষিক মুৰব্বী ড০ সচ্চিদানন্দ যোশী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব। উল্লেখযোগ্য যে গ্ৰন্থমেলাৰ বাকৰিত কালি উপন্যাস সাহিত্য - তত্ব, শৈলী আৰু বিষয়বস্তু শীৰ্ষক আলোচনা চক্ৰৰ আঁত ধৰে বিশিষ্ট উপন্যাসিক অনুৰাধা শৰ্মা পুজাৰীয়ে। অনুষ্ঠানত  অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, লেখক জয়ন্ত মাধৱ বৰাই উপন্যাসক মানুহৰ জীৱনক পৰিপূৰ্ণভাৱে স্বীকৃত কৰিব পৰা এটা মাধ্যম বুলি উল্লেখ কৰে।

০০০০০০

দেশৰ একাধিক ৰাজ্যত হিউমেন মেটানিউমো ভাইৰাছ-এইচ এম পি ভিত আক্ৰান্ত লোক চিনাক্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য মন্ত্ৰালয়ে ব্যাপক সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। স্বাস্থ্য বিশেষজ্ঞসকলে হিউমেন মেটানিউমো ভাইৰাছ-এইচ এম পি ভি কোনো নতুন ভাইৰাছ নহয় বুলি স্পষ্ট কৰি দিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই এই সন্দৰ্ভত এটা ভিডিঅ' বাৰ্তাত কয়, যে ২০০১ চনতে প্ৰথমবাৰৰ বাবে এই ভাইৰাছবিধ চিনাক্ত কৰা হৈছিল আৰু তেতিয়াৰে পৰা সমগ্ৰ বিশ্বতে  কম বেছি পৰিমাণে ইয়াৰ প্ৰাদুৰ্ভাৱ আছে। তেওঁ কয়, যে এইচ এম পি ভি ভাইৰাছ শ্বাস প্ৰশ্বাসৰ জৰিয়তে মানুহৰ শৰীৰত প্ৰৱেশ কৰে আৰু যিকোনো বয়সৰ লোক এই ৰোগত আক্ৰান্ত হ'ব পাৰে। দেশৰ স্বাস্থ্য ব্যৱস্থা যিকোনো ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাজু আছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

স্বাস্থ্য মন্ত্ৰালয়ে এই ৰোগৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত কোনো ধৰণৰ শ্বাস-প্ৰশ্বাসজনিত সংক্ৰমণ দেখা দিয়া মাত্ৰকে চিকিৎসকৰ সহায় ল'বলৈ পৰামৰ্শ দিছে। তদুপৰি কাহ, হাঁচি মৰাৰ সময়ত নাক-মুখ ঢাকি লোৱাৰ লগতে মাস্ক পৰিধান কৰিবলৈ আৰু সঘনে হাত দুখন পৰিস্কাৰ কৰি থাকিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ জনবসতিপূৰ্ণ অঞ্চলসমূহত শেহতীয়াকৈ মানুহ আৰু বন্য প্ৰাণীৰ মাজত দেখা দিয়া সংঘাট দূৰ কৰাৰ বাবে উপায় উদ্ভাৱন কৰিবলৈ কালি বন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ উপস্থিতিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শেহতীয়াকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৱৰ্তী অঞ্চলসমূহৰ ৰাইজে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই আলোচনাকালত গ্ৰহণ কৰা সিদ্ধান্তই অদূৰ ভৱিষ্যতে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া ৰাইজক সকাহ দিয়াৰ উপৰি বন্য প্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰিব বুলি মন্ত্ৰী পাটোৱাৰীয়ে প্ৰকাশ কৰে। বৈঠকত লগতে এই অঞ্চলসমূহত বাস কৰা যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাও অংশগ্ৰহণ কৰে। বন মন্ত্ৰীগৰাকীয়ে কালি কাজিৰঙাৰ কঁহৰাত নিৰ্মাণ কৰি উলিওৱা কাজিৰঙা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় উদ্বোধন কৰে। উদ্বোধনকালত মন্ত্ৰী শ্ৰী বৰাও উপস্থিত থাকে।

০০০০০০

কেন্দ্ৰীয় অসামৰিক যোগান, গ্ৰাহক পৰিক্ৰমা তথা সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী বি এল বাৰ্মাই আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দিনৰ ১০ বজাৰ পৰা জিলাখনৰ বিভিন্ন আঁচনি পৰিদৰ্শন কৰাৰ লগতে আবেলি জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হ'বলগীয়া এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পিছতে মন্ত্ৰী বাৰ্মাই আয়ুক্ত কাৰ্যালয়ৰ ভিডিঅ' কনফাৰেন্স কক্ষত এখন সংবাদমেল সম্বোধন কৰিব।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দলে হায়দৰাবাদত অৰ্ধ পৰিবাহী বিষয়ক এখন কৰ্মশালাত অংশগ্ৰহণ কৰিছে। বিট্‌ছ পিলানিৰ হায়দৰাবাদ চৌহদত কালিৰেপৰা ১৫ দিনীয়াকৈ অনুষ্ঠিত এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলে অংশ লৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যোৱা বছৰৰ ছেপ্তেম্বৰত অৰ্ধ পৰিবাহী অৰ্থাৎ ছেমি কণ্ডাক্টৰ বিষয়ক এবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিততে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এই কৰ্মশালাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে।

০০০০০০

## NEWSPAPER REVIEW (07-01-2025 MORN.)

ৰাজ্যত অহা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক কাৰ্যসূচী উপলক্ষে মুম্বাইত এটা ৰোড শ্ব' আয়োজন কৰা হয়। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ পিছত দেশৰ কেইবাগৰাকীও আগশাৰীৰ উদ্যোগপতিক এই কাৰ্যসূচীলৈ আমন্ত্ৰণ জনোৱাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ইয়াৰ উপৰি ৰাজ্যিক নিৰ্বাচন আয়োগে সংক্ষিপ্ত সংশোধনীৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ এটা বাতৰিক ৰাজ্যত এবছৰতে অভিলেখ হাৰত ৫ লাখ ৬০ হাজাৰ ভোটাৰ বৃদ্ধি পোৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনুপ্ৰৱেশকাৰীক উদ্যোগীক কাম-কাজত নিয়োগ নকৰিবলৈ দেশৰ উদ্যোগপতিসকলৰ প্ৰতি আহ্বান জনোৱাৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে।

পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰিৰ সন্দৰ্ভত আজি পুনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত শুনানি অনুষ্ঠিত হোৱাৰ বাতৰিক **দৈনিক অসম** কাকতে পৰিৱেশন কৰিছে। কাকতখনে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ডিব্ৰুগড়ত উন্নয়নমূলক কাম কাজৰ পৰ্যালোচনা চলোৱাৰ সন্দৰ্ভত এটা বাতৰিও প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যৰ ১১ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হোৱাৰ বাতৰিক **আমাৰ অসম** কাকতে স্থান দিছে।

দেশৰ ভিন্ন প্ৰান্তত এইছ এম পি ভাইৰাছৰ সংক্ৰমণৰ সন্দৰ্ভত এটা বাতৰি **দৈনিক জনমভূমি** কাকতে পৰিৱেশন কৰিছে। এই বাতৰিটোক আমাৰ অসম কাকতৰ লগতে আন কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ডিমা হাচাও জিলাৰ উমৰাংচুত এটা কয়লাখনিত পানী সোমোৱাৰ ফলত কেইবাগৰাকীও শ্ৰমিক আৱদ্ধ হৈ থকাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰকাশ কৰিছে। কাকতখনে কৃত্ৰিম নাটনি আৰু ক'লা বেপাৰীৰ বাবে অসমত মূল্যবৃদ্ধি হৈছে বুলি আন এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ভাৰতীয় প্ৰশাসনীয় সেৱাৰ ১৮ গৰাকী প্ৰশিক্ষাৰ্থী বিষয়াই তেওঁলোকৰ শীতকালীন শিক্ষণ ভ্ৰমণৰ অংশৰূপে কালি তিনিচুকীয়া জিলাত বিভিন্ন আঁচনি পৰিদৰ্শন কৰে। এই ভ্ৰমণৰ অন্তত জিলা আয়ুক্ত স্বপ্নীল পালে প্ৰশিক্ষাৰ্থীসকলৰ আগত জিলাখনৰ বিষয়ে আৰু প্ৰশাসনিক নীতি সন্দৰ্ভত বক্তব্য আগবঢ়ায়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই অনুষ্ঠানত ডিগবৈ বৰ সংমণ্ডল বিষয়া টি চি ৰজনীথ আৰু অতিৰিক্ত আয়ুক্ত মীৰজানা হুছেইনেও মত বিনিময় কৰে।

০০০০০০

কোৱালালামপুৰত অনুষ্ঠিত মালেয়ছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজিৰে পৰা ভাৰতীয় খেলুৱৈসকলে অংশগ্ৰহণ কৰিব। পুৰুষৰ ডাবলছ শাখাত সাত্বিক ছাইৰাজ ৰণকি ৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটোৱে চাইনিজ টাইপেইৰ মিং চে লু আৰু তাং কাই ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষৰ একক শাখাত লক্ষ্য সেন, প্ৰিয়াংশু ৰাজাৱাট আৰু প্ৰণয় এইচ এছৰ লগতে মহিলাৰ একক শাখাত মালবিকা, আকৰ্ষি কাশ্যপ আৰু অন্নপূৰ্ণা উপাধ্যায়ে নিজৰ অভিযান আৰম্ভ কৰিব।

০০০০০০

দুলীয়াজানৰ নেহৰু ময়দানত কালি অনুষ্ঠিত কেপ্তেইন জিণ্টু গগৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ পুল-বিৰ অন্তিমখন খেলত অইল ইণ্ডিয়া এফ চিয়ে আপাৰ আছাম এফ চিক ৫-০ গলত পৰাস্ত কৰি ছেমিফাইনেলত উপনীত হয়। খেলখনত বিজয়ী দলৰ হৈ আক্ৰাং নাৰ্জাৰীয়ে হেট্ৰিক কৰাৰ লগতে ছেমছন শইকীয়া আৰু জয়দ্বীপ গগৈয়ে এটাকৈ গল দিয়ে। উল্লেখযোগ্য যে ৩ জানুৱাৰীৰ পৰা ডিগবৈৰ টিংৰাই ফুটবল ষ্টেডিয়াম আৰু ডিগবৈৰ জুবিলী গ্ৰাউণ্ডত প্ৰতিযোগিতাৰ খেলসমূহ অনুষ্ঠিত হৈছে।

০০০০০০

মাজুলীৰ বনগাঁও টাউন ক্লাবৰ উদ্যোগত অহা ১০ জানুৱাৰীৰ পৰা ৩ দিনীয়াকৈ এখন দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ চূড়ান্ত বিজয়ীলৈ ট্ৰফীসহ নগদ এক লাখ টকাৰ

পুৰস্কাৰ আগবঢ়োৱাৰ লগতে বিজেতা দলক ট্ৰফীসহ নগদ ৭০ হাজাৰ টকা প্ৰদান কৰা হ'ব। আনহাতে মেন অব দ্যা ছিৰিজলৈ ১০ হাজাৰ টকা আৰু ফাইনেল খেলৰ মেন অব দ্যা মেচলৈ ৫ হাজাৰ টকাৰ লগতে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটছ্‌মেন আৰু বলাৰক ৫ হাজাৰ টকাকৈ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ত বতৰ ফৰকাল হৈ থাকিব। পুৱা আৰু সন্ধিয়াৰ ভাগলৈ অসমৰ লগতে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু অংশত ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে।

বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া বতৰৰ আগলি বতৰা অনুসৰি কালি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ আছিল। আজি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০০

সমাপ্ত